بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ نَحۡمَدُہٗ وَنُصَلِّی عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০২০ চনৰ ২১ ফেব্ৰুৱাৰীত মছজিদ বায়তুল ফতুহ মৌৰডন (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ,তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে - জামাত আহমদীয়াত ২০ ফেব্ৰুৱাৰীৰ দিনটো ভৱিষ্যত বাণী মুচলেহ মাওউদৰ দিন হিচাপে মনত পেলোৱা হয়। জমাতত এই দিনটোত মুচলেহ মাওউদ দিৱস হিচাপে জলছা অনুষ্ঠিত কৰা হয়। এই মুছলেহ মাওউদ দিৱস হজৰত হজৰত খলিফাতুল মছিহ ছানি (ৰাঃ)ৰ জন্মদিন হিচাপে উৎযাপন কৰা নহয় বৰং এই দিৱস কেৱল এটা ভৱিষ্যত বাণী পূৰ্ণ হোৱা হেতুকে উৎযাপন কৰা হৈ থাকে। এয়া এনেকুৱা এটা ভৱিষ্যত বাণী যি ইছলামৰ শ্ৰেষ্টত্ব আৰু সত্যতা প্ৰমাণাৰ্থে আল্লাহ তায়ালাৰ ইলহাম অনুযায়ী হজৰত মছিহ মাওউদ (আঃ)য়ে প্ৰকাশ পাইছিল। হজৰত মছিহ মাওউদ (আঃ)য়ে এই বৰিষ্যত বানী হজৰত মুচলেহ মাওউদ (ৰাঃ)ৰ জন্মৰ তিনি বছৰ আগতেই প্ৰকাশ কৰিছিল যত এজন ইছলামৰ সেৱক সুসংবাদ পূৰ্ণ প্ৰতিশ্ৰুতি প্ৰাপ্ত পুত্ৰৰ জন্মৰ খবৰ দিছিল।যি শত্ৰু সকলৰ বাবে এটা নিদৰ্শন স্বৰূপে আগবঢ়াইছিল। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এই পেশগুই (ভৱিষ্যতবাণী) সম্পৰ্কে মই কিছুমান ঠাইত হজৰত মুচলেহ মাওউদ (ৰাঃ)ৰ বৰ্ণিত শব্দবোৰ উল্লেখ কৰিম যাতে এই ভৱিষ্যত বাণীৰ মূলভাৱ আৰু ইয়াৰ মৰ্যাদা সম্পৰ্কে অলপ অনুমান কৰিব পৰা যায়।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে - ২০ ফেব্ৰুৱাৰী ১৮৮৬ চনত হুশিয়াৰ পুৰ চহৰত তেখেত (আঃ)য়ে এই খোতবা প্ৰদান কৰিছিল। সেয়া এনেকুৱা এখন ঘৰ আছিল যাক সেই সময়ত আস্তাবল (ঘোঁৰাশাল) বুলি কোৱা হৈছিল। যাৰ অৰ্থ হল এয়া যে সেয়া এখন থকা ঘৰ নাছিল। মুঠতে সেয়া এখন উপযুক্ত ঘৰ নাছিল বৰং সেয়া জমিদাৰৰ এখন উপৰিঞ্চি ঘৰ বিলাকৰে এটা ঘৰ আছিল। যত সম্ভৱত হঠাতে আহি পোৱা অতিথি সকলক থাকিবলৈ দিয়া হৈছিল অথবা সেয়া তেওঁলোকে ষ্টোৰ বনাই ৰাখিছিল নাইবা প্ৰয়োজনত তাত জন্তু বান্ধি ৰাখিছিল। কাদিয়ানৰ এজন অপৰিচিত ব্যাক্তি যাক কাদিয়ানৰ বাসিন্দা সকলেই ভালদৰে চিনি পোৱা নাছিল, ইছলাম আৰু বাণী ইছলামৰ বিৰুধীতা অৱলোকন কৰি নিজৰ খোদা তায়ালাৰ সমীপত পৃথক ভাৱে উপসনা কৰিবলৈ আৰু তাৰ সহায় সহযোগীতাৰ এক নিচান বিচাৰি ইয়ালৈ আহি চল্লিছ দিন একেলেথাৰিয়ে দোৱা কৰাৰ পিছত খোদা তায়ালা তেখেতক এটা নিচান দান কৰিছিল। সেই নিদৰ্শন আছিল এয়া যে "মই কেৱল সেই প্ৰতিশ্ৰুতিই, যি মই তোমাৰ সৈতে প্ৰতিশ্ৰুতিবদ্ধ হৈছো, পূৰ্ণ নকৰো, আৰু তোমাৰ নাম পৃথিবীৰ প্ৰান্ত প্ৰান্তলৈ বিস্তাৰ নকৰোঁ বৰং সেই প্ৰতিশ্ৰুতি উচ্চ মৰ্যদাৰে পুৰ্ণতা দিবলৈ মই তোমাৰ ঔৰসত এজন পুত্ৰ সন্তান দান। কৰিম, যিজনে কিছুমান বিশেষ গুণাৱলী সম্পন্ন হব। তেওঁ ইছলামক পৃথিবীৰ শেষ প্ৰান্তলৈ প্ৰচাৰ কৰিব। যেতিয়া এই ইস্তেহাৰ ছপা কৰি বিলাইছিল তেতিয়া শত্ৰু সকলে ইয়াৰ ইয়াৰ ওপৰত সমালোচনা কৰিবলৈ আৰম্ভ কৰিছিল যে এনেকুৱা ভৱিষ্যত বানীৰ কি বিশ্বাস আছে যে তাৰ ঔৰসত এজন পুত্ৰৰ জন্ম হব,কিয় লোকৰ ঔৰসত পুত্ৰ সন্তানৰ জন্ম নহয়নে ?

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে -কথা হল এয়া যে যদি তেখেত (আঃ)য়ে নিজৰ ঔৰসত এজন পুত্ৰৰ জন্ম হোৱাৰ খবৰ দিলেহেতেঁন তথাপিও এই খবৰ নিজৰ সত্তাত এটা ভৱিষ্যত বানী হলহেতেঁন। কাৰণ পৃথিবীত অতি নগন্য সংখ্যক হলেও এনেকুৱা লোক আছে, যাৰ ঔৰসত কোনো সন্তান নহয়। আনহাতে তেখেত (আইঃ)য়ে যেতিয়া এই ভৱিষ্যতবানী কৰিছিল তেতিয়া তেতিয়া তেখেত (আইঃ)ৰ বয়স হৈছিল ৫০ বছৰৰ ওপৰত আৰু পৃথিবীত হেজাৰ হেজাৰ লোক এনেকুৱা পাবলৈ আছে, যি সকলৰ ৫০ বছৰ বয়স হোৱাৰ পিছত সন্তান জন্মৰ ধাৰাবাহিকতা বন্ধ হৈ যায়। আকৌ কিছুমান লোক আছে, যিসকলৰ ঔৰসত কেৱল ছোৱালী সন্তানেই জন্ম লয়। আকৌ এনে লোকও আছে যি সকলৰ ঔৰসত সন্তান জন্ম লোৱাৰ পিছতেই অলপতেই মৃত্যু হয়। এই সকলোবোৰ সন্দেহৰ স্থান ইয়াত বৈ আছিল। গতিকে প্ৰথম কথা হল, সন্তান জন্ম লোৱাৰ আগতীয়াকৈ খবৰ দিয়াটো কোনো মানুহৰেই শক্তিৰ ভিতৰত নহয়। হজৰত মছিহ মাওউদ (আইঃ)য়ে সেই অভিযোগত সেও মানি কৈছে যে - যদি ধৰি লোৱা হয় যে কেৱল কোনো পুত্ৰ জন্ম হোৱাৰ খবৰ দিয়াটো এটা

ভৱিষ্যতবাণী হব নোৱাৰে তেন্তে প্ৰশ্ন হল এয়া যে মই কেৱল এজন লৰাৰ জন্ম হোৱা খবৰ কেতিয়া দিছো। বৰং মই এয়া কৈছো যে খোদা তায়ালা মোৰ দোৱা কবুল কৰি এনেকুৱা এটা কল্যাণময় ৰূহ পঠোৱাৰ প্ৰতিশ্ৰুতি দিছে, যাৰ প্ৰকাশ্য আৰু গোপনীয় কল্যাণৰ শ্ৰোতাধাৰা গোটা ভূমণ্ডলত বিয়পি যাব।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে - কিছুমান লোকে কয় যে মুচলেহ মাওউদ, হজৰত মছিহ মাওউদ (আঃ)ৰ ভৱিষ্যত বংশধৰ সকলৰ পৰা তিনি, চাৰিশ বছৰ পিছত আহিব, বৰ্তমান যুগত আহিব নোৱাৰে। কিন্তু এই সকলৰ ভিতৰত কোনেও খোদা তায়ালাক ভয় নকৰে। তেওঁলোকে ভৱিষ্যত বাণীৰ শব্দবোৰ চাওঁক আৰু তাৰ ওপৰত চিন্তা কৰক। হজৰত মছিহ মাওউদ (আইঃ)যে লিখিছে যে সেই সময়ত ইছলামৰ বিৰুদ্ধে এয়া অভিযোগ উত্থাপন কৰা হৈছিল যে ইছলামে নিজৰ মাজত কোনো নিদৰ্শন প্ৰকাশৰ শক্তি নাৰাখে। পণ্ডিত লেখৰাম অভিযোগ কৰিছিল যে - যদি ইছলাম সত্য ধৰ্ম হয়, তেন্তে কিবা নিদৰ্শন দেখাওঁক। ইন্দৰমিনে অভিযোগ আনিছিল যে যদি ইছলাম সত্য হৈ থাকে তেন্তে কিবা নিচান দেখাওঁক। তেখেত (আইঃ)য়ে আল্লাহ তায়ালাৰ ওচৰত অৱনত শিৰে কৈছিল যে হে আল্লাহ তুমি এনেকুৱা নিচান প্ৰদৰ্শন কৰা যি নিচানে এই নিচান বিচাৰোঁতা সকলক ইছলাম বিশ্বাসী বনাই দিয়ে, তুমি এনেকুৱা নিচান জাহিৰ কৰা যিয়ে ইন্দৰমিন মুৰাদাবাদী সকলক ইছলাম বিশ্বাসী বনাই দিছে। এই অভিযোগৰ ভিত্তি ৰচোঁতা সকলে আমাক কৈছিল যে যেতিয়া হজৰত মছিহ মাওউদ (আইঃ)য়ে আল্লাহ তায়ালাৰ দৰবাৰত এই দোৱা কৰিছিল তেতিয়া খোদা তায়ালায় তেখেত (আইঃ)ক জনাইছিল যে আজিৰ পৰা তিনিশ বছৰ পিছত আমি তোমাক পুত্ৰ সন্তান দান কৰিম যিজনেই হব ইছলামৰ সত্য নিচান। কিয়; পৃথিবীত এনেকুৱা কোনো ব্যাক্তি আছেনে যিয়ে এই কথাখিনি যুক্তাযুক্ত বুলি মানি লব। পণ্ডিত লেখৰাম, মুন্সি ইন্দৰমিন মুৰদাবাদী আৰু কাদিয়ানৰ হিন্দু সকলে কৈছিল যে - ইছলাম সম্পৰ্কে দাবী কৰা হয় যে - তেওঁলোকৰ খোদা পৃথিবীক নিদৰ্শন দেখুৱাৰ শক্তি ৰাখে, এয়া এটা ভিত্তিহীন আৰু মিছা দাবী। যদি এই দাবীৰ কোনো সত্যতা আছে তেন্তে আমাক নিচান দেখাওঁক। তেতিয়া হজৰত মছিহ মাওউদ (আঃ)য়ে আল্লাহ তায়ালাৰ নতশীৰে কৈছিল যে - হে খোদা মই তোমাৰ ওচৰত প্ৰাৰ্থনা জনাওঁ যে তুমি মোক ৰহমতৰ নিচান দেখুওৱা, তুমি মোক কুৰবত আৰু কদৰতৰ নিদৰ্শন দান কৰা। গতিকে এয়া সঠিক যে এই নিদৰ্শন দান কৰা। গতিকে এয়া সঠিক যে এই নিদৰ্শন অতি কাষৰীয়া সময়তেই প্ৰকাশ পোৱা উচিত আছিল কাৰণ এই অভিযোগ উত্থাপনকাৰী সকল জীয়াই থাকোতেই যেন নিদৰ্শন প্ৰকাশ পায়। গতিকে তেনেকুৱাই হৈছিল। ১৮৮৯ চনত যেতিয়া মোৰ জন্ম আল্লাহ তায়ালাৰ ভৱিষ্যতবাণী অনুযায়ী হৈছিল তেতিয়া সিহঁতে জীয়াই আছিল, যিসকলে হজৰত মছিহ মাওউদ (আঃ)ৰ পৰা নিচান দেখিব বিচাৰিছিল। আকৌ যেতিয়া মই দিনক দিনে ডাঙৰ হৈ আহিবলৈ লৈছিলো আল্লাহ তায়ালাৰ নিদৰ্শন বোৰও বেছি বেছি প্ৰকাশ পাবলৈ লৈছিল। গতিকে এই নিচান হজৰত মছিহ মাওউদ (আইঃ)ৰ জীৱন কালত আৰু ইছলামৰ ওপৰত অভিযোগ স্থাপনকাৰী সকলৰ জীৱন কালত প্ৰকাশিত হোৱাৰ প্ৰয়োজন আছিল তেনেকুৱাই জাহিৰ হৈছিল।

হজৰত খলিফাতুল মছিহ ছানি (ৰাঃ)য়ে কৈছে যে - মইয়েই মুচলেহ মাওউদ হওঁ। এই ঘোষনাৰ আগতে তেখেত (ৰাঃ)ৰ ওপৰত এয়া আপত্তি উঠিছিল যে তেখেতে মুছলেহ হোৱাৰ ঘোষনা কৰা নাই। এনেদৰে ১৯৪৪ চনত এখেত (ৰাঃ)য়ে মুচলেহ মাওউদ হোৱাৰ ঘোষনা কৰিছিল। তেখেত (ৰাঃ)য়ে কৈছে যে - মই খোদা তায়ালাৰ শপত লৈ কওঁ যে মইয়েই মুচলেহ মাওউদৰ ভৱিষ্যতবাণীৰ সত্যতাৰ প্ৰমান। যিজন ব্যাক্তিয়ে ভাৱে যে মই ধোকাবাজি কৰি আছো নাইবা এই বিষয়ে মই মিছা মতাৰ আশ্ৰয় লৈছো, তেওঁ আহক আৰু এই বিষয়ে মোৰ লগত মোকাবিলা কৰক। নিশ্চয় আল্লাহ তায়ালাৰ নিজে নিজে নিজৰ আচমানী নিচানীৰে ৰায় দান কৰিব যে কোন মিছলীয়া আৰু কোন সত্যবাদী। কিন্তু দেখা গল যে কোনেও আগবাঢ়ি নাহিল।

গতিকে আল্লাহ তায়ালাৰ কৃপাত আৰু তাৰ দয়াৰে সেই ভৱিষ্যতবাণী পূৰ্ণ হোৱালৈ এটা দীঘলীয়া সময় অপেক্ষা কৰা হৈ আছিল, আল্লাহ তায়ালা নিজৰ ইলহাম আৰু জাননীৰ জৰিয়তে জনাই দিলে যে এই ভৱিষ্যতবানী মোৰ ব্যাক্তিত্বৰ ওপৰত পূৰ্ণ হৈ গৈছে। এনেদৰে আল্লাহ তায়ালা ইছলামৰ শত্ৰু সকলৰ সন্মুখত পূৰ্ণ প্ৰমান দাঙি ধৰিছে আৰু তেওঁলোকৰ বাবে এই বিষয়টো স্পষ্ট কৰি দিছে যে ইছলাম খোদা তায়ালা প্ৰদত্ত ধৰ্ম, মহম্মদ ৰছুলুল্লাহ (ছাঃ) খোদা তায়ালাৰ সত্য ৰছুল, আৰু হজৰত মছিহ মাওউদ (আঃ) খোদা তায়ালাৰ সত্য প্ৰেৰিৰিত জন। মিছলীয়া হল সেই সকল লোক, যি সকলে ইছলামক মিছা বুলি কয়, মিথ্যাচাৰী হল সেই সকল লোক, যি সকল মহম্মদ ৰছুলুল্লাহ (ছাঃ)ক মিছলীয়া বুলি কয়।আল্লাহ তায়ালা এই মহান

ভৱিষ্যত বাণীৰ দ্বাৰা ইছলাম আৰু ৰছুলুল্লাহ (ছাঃ)ৰ সত্যতাৰ এটা জীৱন্ত প্ৰমান লোকলৈ আগবঢ়াইছে।

এখেত (ৰাঃ)য়ে কৈছে যে - ভালেই কোন বেটাৰ (ব্যাক্তিৰ ) শক্তি আছিল যে তেওঁ ১৮৮৬ চনত অৰ্থ্যাৎ আজিৰ পৰা ৫৮ বছৰ আগত নিজৰ ফালৰ পৰা এয়া খৱৰ দিব পাৰে যে তাৰ ঔৰসত ৯ বছৰৰ ভিতৰত এজন পুত্ৰ সন্তান জন্ম হব আৰু তেঁ ক্ষিপ্ৰতাৰে বাঢ়ি আহিব, তেওঁ পৃথিবীৰ শেষ প্ৰান্তলৈ জনাজাত হব, তেওঁ ইছলাম আৰু ৰছুলে পাক (ছাঃ)ৰ নাম পৃথিবী ব্যাপি প্ৰচাৰ কৰিব। তেওঁ প্ৰকাশ্য আৰু গোপনীয় জ্ঞানৰ পূৰ্ণ অধিকাৰী হব। তেওঁ মহা পৰাক্ৰমী ইলাহিৰ মুৰ্ত্তমান হোৱাৰ কাৰক হব আৰু খোদা তায়ালাৰ কুদৰত আৰু তাৰ সান্নিধ্য আৰু দয়াৰ এটা জীৱন্ত নিচান হব। এনেকুৱা খৱৰ কোনো মানুহেই নিজৰ ফালৰ পৰা কব নোৱাৰে। খোদা তায়ালা এই খবৰ দিছে আৰু সেই খোদা তায়ালাই এই খবৰৰ বিষয় বস্তু সম্পূৰ্ণ কৰিছে এই মানৱৰ জৰিয়তে। তেখেত (ৰাঃ)য়ে নিজৰ সম্পৰ্কে কৈছে যে সেই খবৰ বিষয় বস্তু সম্পুৰ্ণ হৈ গৈছে।

গতিকে এয়া কোনো সাধাৰণ ঘোষনা নাছিল। তেখেত (ৰাঃ)ৰ ৫২ বছৰীয়া খিলাফতৰ ধাৰাবাহিকতা আৰু তাৰ প্ৰত্যেকটো দিনেই তাৰ মৰ্যাদাৰ জলক প্ৰকাশ কৰি আছে। আকৌ তেখেত (ৰাঃ)য়ে কৈছে যে - হে মোৰ বন্ধু সকল ! মই নিজৰ সন্মানৰ বাবে আশাবাদী নহয়, খোদা তায়ালা প্ৰকাশ নকৰিলে মই আৰু বেছি জীয়াই থাকাৰো আশা নকৰো। মই দৃঢ় বিশ্বাস ৰাখো যে ৰছুলুল্লাহ (ছাঃ) আৰু ইছলামৰ মৰ্যাদা স্থাপনৰ নিমিত্তে আৰু পুনৰ ইছলামক নিজৰ ভৰিৰ ওপৰত থিয় কৰিবলৈ আৰু মছিহিয়তৰ পতনৰ বাবে অতীত আৰু ভৱিষ্যতত ইনশা আল্লাহ মোৰ কৰণীয় বহুত কাম কৰিবলৈ আছে। চয়তানৰ মূৰ গচকি দিয়া আৰু মছিহিয়তৰ অন্ত পেলোৱা গোড়ালিৰ ভিতৰত এটা গোড়ালি মোৰ হব। ইনশা আল্লাহ তায়ালা।

আকৌ তেখেত (ৰাঃ)য়ে কৈছে যে - মই ইয়াতে আপোনালোকক এয়া সুসংবাদ দিওঁ যে খোদা তায়ালা আপোনালোকলৈ হজৰত মছিহ মাওউদ (আঃ)ৰ সেই ভৱিষ্যতবাণী ফলিযাই দিছে, যি মুচলেহ মাওউদৰ সৈতে সম্পৰ্কিত। ইয়াৰ লগতে মই আপোনালোকক সেইবোৰ দায়িত্ব মনত পেলাই দিওঁ যে আপোনালোকৰ ফ্ৰথম ফৰজ হল যে আপোনালোকে নিজৰ মাজত পাক পৰিবৰ্তন সাধন কৰক আৰু ইছলাম আহমদীয়তৰ বিজয়ৰ বাবে নিজৰ তেজৰ শেষ কনিকা বিন্দু বোৱাই দিবলৈ সাজু হৈ যাওঁক। নিশ্চয় তোমালোকে আনন্দ উৎযাপন কৰিব পৰা যে খোদা তায়ালা সেই ভৱিষ্যত বাণী পূৰ্ণ কৰি দিছে। কিন্তু মই কওঁ যে আপোনালোকে সেই আনন্দ উৎযাপনত নিজৰ দায়িত্ব অগ্ৰাজ্য নকৰিব। যেনেকৈ খোদা তায়ালা মোক সপোনত দেখুৱাইছে যে মই বেগেৰে ধাৱমান হৈছো আৰু জমিন মোৰ ভৰিৰ তলত সংকোচন হৈ গৈ আছে। এনেদৰে আল্লাহ তায়ালা ইলহামৰ দ্বাৰা মোৰ সম্পৰ্কে এয়া খবৰ দিছে যে মই বেগেৰে উন্নতিৰ বাটত আগবাঢ়িম। গতিকে মোৰ বাবে এয়া কৰণীয় হে পৰিছে যে মই আনন্দ আৰু বেগেৰে সৈতে ময়দানত খোজঁ পেলাওঁ। কিন্তু ইয়াৰ লগতে আপোনালোকৰ ওপৰতও এই ফৰজ ন্যাস্ত হব যে আপোনালোকেও নিজৰ খোজত বেগ দিয়ক আৰু অলসতা দূৰ কৰক। যদি আপোনালোকে নিজৰ দায়িত্ব শুদ্ধভাৰে বুলি পায় আৰু যদি আপোনালোকে উন্নতি বিচাৰে তেন্তে দোপদ দোপে মোৰ লগত আগবাঢ়ি আহক যাতে আমি কুফৰৰ হৃদয়ত মহম্মদ ৰছুলুল্লাহ (ছাঃ)ৰ পতাকা দণ্ড পুতি দিব পাৰো। আৰু অসত্যক চিৰকালৰ বাবে ধৰা পৃষ্ঠৰ পৰা নিচিহ্ন কৰিব পাৰো। ইনশা আল্লাহ তেনেকুৱাই হব। আচমান জমিন লৰিব পাৰে কিন্তু খোদা তায়ালাৰ কথা কেতিয়াও হেৰফেৰ হব নোৱাৰো।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে - আল্লাহ তায়ালা আমাক তৌফিক দান কৰক আমি যেন কাম কৰোঁতা হওঁ। আমি যেন কেৱল জলছা মুচলেহ মাওউদ উৎযাপন কৰোঁতা নহওঁ, আমি যেন ইছলামৰ বাৰ্তা পৃথিবী ব্যাপী প্ৰচাৰ কৰোঁতা হওঁ। কেৱল ইখিনিতে যেন আনন্দিত নহওঁ যে আমি জলছা অনুষ্ঠিত কৰিছোঁ। প্ৰকৃততে আমিয়েই মিচনক আগবঢ়াই লৈ যাওঁতা, যাৰ নিমিত্তে আল্লাহ তায়ালা হজৰত মছিহ মাওউদ (আইঃ)ক প্ৰেৰণ কৰিছিল আৰু যাৰ কাৰণেই তেখেতে অসংখ্যক ভৱিষ্যতবাণী কৰি থৈ গৈছে, আৰু মুচলেহ মাওউদৰ ভৱিষ্যতবাণী তাৰ মাজেৰে এটা ভৱিষ্যতবাণী।

আকৌ কৈছে যে - মই ইয়াত আপোনালোকৰ কাম সম্পৰ্কে চমুকৈ এটা কথা উল্লেখ কৰিছো যে ভৱিষ্যত বাণীত এই শব্দবোৰ আছে যে প্ৰকাশ্য আৰু গোপনীয় জ্ঞানেৰে পূৰ্ণ কৰা হব আৰু তাৰেই এটা সুচাংক হল আপোনালোকৰ কাম, সেয়া মই আপোনালোকক জনাই দিব বিচাৰিছো।

হজৰত মুচলেহ মাওউদ (ৰাঃ)ৰ লেকচাৰ আৰু ভাষণ সমুহ গোটাই এখন কিতাপ আনোৱাৰুল উলুম নামেৰে ছপা হৈ আছে। বহুকেইটা খণ্ড ইতিমধ্য ছপা হৈ ওলাইছে। যিজনে উৰ্দু পঢ়িব জানে তেওঁ এয়া পঢ়া উচিত। বৰ্তমানে আনোৱাৰুল

উলুম কিতাপখনৰ ২৬ টা খণ্ড ছপা হৈ ওলাইছে। উক্ত ২৬ খণ্ডত মুঠ ৬৭০ টা লেকচাৰ, ভাষণ ছপা কৰা হৈছে। বৰ্তমানে খোতবাতে মেহমুদৰ ৪৮ খণ্ড ছপা কৰা হৈছে, যত ১৯৫৯ চনলৈকে সম্পাদিত খোতবা সমুহ ছপাহ কৰা হৈছে, যত ১৯৫৯ চনলৈকে সম্পাদিত খোতবা সমুহ ছপা কৰা হৈছে। এই গোটেই কেইখন খণ্ড মিলি ২৩৬৭ খোতবাত ছপা কৰা হৈছে। তফছিৰ কবিৰৰ দহটা খণ্ডত মুঠ ৫৯০৭ খন পৃষ্ঠা আছে। হজৰত মুচলেহ মাওউদ (ৰাঃ)ৰ দৰচুল কোৰ-আন, যি ছপা হোৱা নাছিল, সেয়া ৰিৰ্ছাচিলে কম্পোজ কৰি ফজলে উমৰ ফাউণ্ডেচনক চমজাই দিছে, এই খনত আছে ৩০৯৪ পৃষ্ঠা। মই ৰিৰ্ছাছিলক কৈছিলো যে হজৰত মুচলেহ মাওউদ (ৰাঃ)ৰ লিখনি আৰু কথনৰ পৰা তফছিৰে কোৰ-আন জমা কৰা হওঁক, এই বিষয়েও কাম আৰম্ভ কৰা হৈছে। এতিয়ালৈকে ৭ হাজাৰ পৃষ্ঠা যুক্ত এখন তফছিৰ হাতত লোৱা থৈছে আৰু আগলৈ কাম আৰম্ভ কৰা হৈছে। এয়া হল আপোনালপকৰ কামৰ এটা টোকা। আপোনালোকৰ ওপৰত আল্লাহ তায়ালাৰ হাজাৰ হাজাৰ ৰহমত বৰ্ষিত হওঁক আৰু সকলোতে আল্লাহ তায়ালা আপোনালোকৰ মৰ্যাদা উন্নীত কৰক। আমি যেন হজৰত মছিহ মাওউদ (আঃ)ৰ এই পুত্ৰৰ দৰে ইছলাম প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দীপনা হৃদয়ত জন্ম দিওঁতা হওঁ আৰু সদায় ইছলামৰ সেৱা আগবঢ়াবলৈ যেন সাজু থাকো। আমি সেই লোক সকলৰ মাজত গণ্য হওঁ যি সকলে দ্বীনৰ খিদমত কৰোঁতা। আমি যেন সেই লোক সকলৰ মাজৰ নহওঁ, যি সকলৰ বিষয়ে হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে "আপোনালোকৰ সময়ত যেন এই ছিলছিলা বদনামী নহয়"।

আল্লাহ তায়ালা নকৰক যে এই ছিলছিলা বদনামী হৈ যায় বৰং খিদমতৰ ক্ষেত্ৰত যেন বেছি বেছি উন্নতিৰ ফালে আগবাঢ়ি যায়।

হুজুৰ আনোৱাৰ আইঃ য়ে কয় যে - নমাজে জুমাৰ পিছত দুটা জানাজা পঢ়া হব। এজন হল মহতৰমা মৰিয়ম আলজবতাই চাহিবা। এখেত মহতৰম মালিক উমৰ আলী খুখৰ চাহাব ৰায়েছে মুলতান আৰু মুলতানৰ প্ৰাক্তন আমিৰৰ দ্বীতিয় পত্নী আছিল। ৮৬ বছৰ সময়ত এক দূৰ্গটনাত তাইৰ মৃত্যু হৈছে। ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন।

দ্বিতীয় জানাজা হল - আজিজম জাহিদ ফাৰছ আহমদ চাহাবৰ জানাজা। এওঁ ১২ বছৰ বয়সতে মৃত্যুবৰণ কৰিছে। ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন। এওঁ তাৰিক নুৰি আৰু আতিয়াতুল আজিজ খাদিজাৰ পুত্ৰ আছিল। আজিজম জাহিদৰ নানা আছিল ফাৰুক আহমদ খান, এখেতে হজৰত নোৱাব আমতুল হাফিজ বেগম চাহিবাৰ নাতি আছিল। জেনেৰেটৰৰ পৰা ঘৰত জুই লাগি এওঁৰ শৰীৰ জ্বলি গৈছিল। চিকিৎসাধীন হোৱাত সুস্থ হৈ উঠিবলৈ লৈছিল। কিন্তু কিবা ইনফেকচন হোৱাত অৱস্থাৰ অৱনতি ঘটিছিল আৰু চিকিৎসালয়তে তাৰ মৃত্যু হৈছিল। এই বয়সৰ মাছুম সন্তানে জান্নাতি হৈ থাকে। আল্লাহ তায়ালা তাক নিজৰ সান্নিধ্যত ঠাই দিয়ক আৰু মৰ্যাদা উন্নীত কৰক আৰু মাক দেউতাকক অসীম ধৈৰ্য্য দান কৰক। (আমিন)

**********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 21 FEB. 2020**

**(BOOK POST PARINTED MATTER)**

**To**

---------------------------------------------------------------------------

---------------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**